**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-SEP-2026
**Time :** 12.05 PM

# ASSAMESE 12.05 PM BULLETIN

———————————————————————————————

১। ৰাজ্যত ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা গণেশ দেৱতাৰ পূজা-অৰ্চনা।

২। বিশ্বৰ ৪ হাজাৰ ৭৫টা এটা খড়্গযুক্ত গঁড়ৰ ৮০ শতাংশ ব্ৰহ্মপুত্ৰ উপত্যকাত আছে বুলি ভাৰত আৰু নেপালৰ শেহতীয়া মূল্যায়নত প্ৰকাশ।

৩। দেশজুৰি আজি হিন্দী দিৱস উদযাপন। **আৰু**

৪। মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰীলংকাক ৭২ ৰানত পৰাস্ত কৰি ভাৰতৰ খিতাপ দখল।

oooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী, খানাপাৰা আৰু বীৰকুচিৰ গণেশ মন্দিৰত পুৱাৰে পৰা সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো যথাবিহিত ৰীতি-নীতিৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। নলবাৰীৰ গণেশ মন্দিৰ, আগিয়াঠুৰীৰ গণেশ মন্দিৰৰ লগতে বিভিন্ন স্থানত গণেশ চতুৰ্থী উপলক্ষে ধৰ্মীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোৱালপাৰা** চহৰৰ ব'ৰ বজাৰ গণপতি পূজা সমিতিয়ে পৰম্পৰা ৰক্ষা কৰি গণেশ চতুৰ্থীৰ আয়োজন কৰিছে। এই উপলক্ষে দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। চহৰখনৰ কলিতাপাৰা, বেলতলা আৰু টিলাপাৰাৰ লগতে লক্ষীপুৰ অঞ্চলৰ মেধিপাৰা গাঁৱত গণেশ চতুৰ্থী পালন কৰা হৈছে।

oooooo

বিশ্বৰ ৪ হাজাৰ ৭৫ টা এটা খড়্গযুক্ত গঁড়ৰ ৮০ শতাংশই অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আছে বুলি ভাৰত আৰু নেপালৰ শেহতীয়া মূল্যায়নত প্ৰকাশ পাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সম্প্ৰতি দুহেজাৰ ছশৰো অধিক গঁড় আছে বিগত সময়ছোৱাত বিশ্বৰ এটা খড়্গযুক্ত গঁড় সংৰক্ষণৰ শতবৰ্ষ অতিক্ৰম কৰি অসমে ইতিহাস ৰচনা কৰিছে বুলি মূল্যায়নত প্ৰকাশ পাইছে। এই জৰীপত প্ৰকাশ পোৱা মতে ভাৰতত সম্প্ৰতি ৩ হাজাৰ ৩২৩ টা আৰু নেপালত ৭৫২ টা এটা খড়্গযুক্ত গঁড় আছে। ৰাজ্যৰ বন বিভাগৰ তথ্য অনুসৰি ২০১৬ চনৰ পৰা কাজিৰঙাত গঁড় হত্যা আৰু গঁড় হত্যাৰ অপচেষ্টা ৮৬ শতাংশ হ্ৰাস পাইছে। এই সময়ছোৱাত ৪২ জন চোৰাং চিকাৰীক আটক কৰা হৈছে, ছটা চোৰাং চিকাৰীৰ ঘাটি উৎখাত কৰা হৈছে আৰু ৯ টা গঁড় হত্যাৰ অপচেষ্টা বিফল কৰা হৈছে। তদুপৰি উদ্যানখনৰ ভিতৰত আৰু চাৰিওফালে ২৫৩ টা বন শিবিৰ স্থাপন কৰা হৈছে। ড্ৰোণৰ ব্যৱহাৰ আৰু থাৰ্মেল কেমেৰা সংস্থাপনৰ সহায়ত ২০২২ চনত কাজিৰঙাত প্ৰথমবাৰৰ বাবে গঁড় হত্যা শূন্য হৈছিল বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, ৰাজ্যত বিলুপ্তপ্ৰায় বিৰল প্ৰজাতিৰ নল গাহৰিৰ সংখ্যা ৬ৰ পৰা ১৯৪ লৈ বৃদ্ধি পাইছে। বন বিভাগৰ সংৰক্ষণ আৰু প্ৰজনন ব্যৱস্থাৰ জৰিয়তে এই বৃদ্ধি হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে বিশ্বৰ আটাইতকৈ সৰু আৰু বিৰল এই প্ৰজাতি বিলুপ্তিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। মানস ৰাষ্ট্ৰীয় উদ্যানৰ পৰা অনা ছটা নলগাহৰিৰ সংৰক্ষণ আৰু প্ৰজনন কাৰ্যসূচী আৰম্ভ কৰা হৈছিল আৰু সম্প্ৰতি এই সংখ্যা ১৯৪ হৈছে বুলি তেওঁ কয়। বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই সন্দৰ্ভত কয়, যে ২০৪০ চনৰ ভিতৰত এই সংখ্যা ৩০০ লৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। এই দীৰ্ঘম্যাদি লক্ষ্যই বিপন্ন প্ৰজাতিটোক সুৰক্ষা দিয়াই নহয়, আন কেইবাটাও বিলুপ্তপ্ৰায় প্ৰাণীৰ প্ৰজাতিৰ নিৰ্ভৰশীল বিচৰণভূমি সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকো প্ৰতিপন্ন কৰিছে।

০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ এজনী পোহনীয়া হাতী বহিঃৰাজ্যলৈ সৰবৰাহ কৰা সন্দৰ্ভত ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক সোণালী ঘোষে কালি এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত শ্ৰীমতী ঘোষে কয়, যে তিনিচুকীয়াৰ এজন মালিকে সীমিত সময়ৰ বাবে হাতীজনীক মানাহত ৰাখিছিল। পাছত তেওঁৰ অনুমতি অনুসৰি বন্য প্ৰাণী সুৰক্ষা আইনৰ অধীনত ৭ ছেপ্তেম্বৰত হাতীজনী কেৰেলমলৈ প্ৰেৰণ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা এই হাতীজনীৰ লগতে আৰু তিনিটা হাতী প্ৰেৰণৰ কথা আছিল বুলি উল্লেখ কৰি ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে কয়, যে হাতীৰ সৈতে জনসাধাৰণৰ আবেগ জড়িত হৈ থকাৰ বাবে বহিঃৰাজ্যলৈ পৰৱৰ্তী সময়ত বাকী তিনিটা হাতী প্ৰেৰণ নকৰিবলৈ ঊৰ্ধতন কৰ্তৃপক্ষক আবেদন জনোৱা হৈছে। এনেধৰণৰ ঘটনা পুনৰাবৃত্তি নহয় বুলিও ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে উল্লেখ কৰে।

বাইট

উল্লেখযোগ্য যে যোৱা ৭ ছেপ্তেম্বৰত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ মহল কেম্পৰ পৰা দুৰ্গা নামৰ পোহনীয়া হাতীজনীক কেৰলমলৈ সৰবৰাহ কৰা হৈছিল। এই সন্দৰ্ভত প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে বাঁহবাৰী ৰেঞ্জৰ বন সংমণ্ডল বিষয়া নীতিশ বড়োক জবাবদিহি কৰিছিল।

০০০০০০

গোলাঘাট জিলাৰ মৰঙি অঞ্চলত বনৰীয়া হাতীয়ে যোৱা কেইবাদিনো ধৰি উপদ্ৰৱ চলাইছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকে অঞ্চলটোৰ ধান খেতি নষ্ট কৰাৰ লগতে হাতীৰ গচকত কেইবাটাও বাসগৃহ ধ্বংস হয়। বিশেষকৈ নিশাৰ ভাগত হাতীৰ বিচৰণ বৃদ্ধি পোৱাত স্থানীয় লোকে শংকিত হৈ দিন পাৰ কৰিবলগীয়া হৈছে। হাতীৰ উপদ্ৰৱৰ পৰা শস্যভূমি ৰক্ষা কৰা তথা জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষাৰ বাবে গোলাঘাট বন বিভাগক শীঘ্ৰেই ব্যৱস্থা ল'বলৈ স্থানীয় লোকে আহ্বান জনাইছে।

০০০০০০

দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰিছিল। বৰ্তমান সময়ত বিশ্বৰ ভালেসংখ্যক লোকে হিন্দী ভাষা ব্যৱহাৰ কৰাৰ লগতে ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা হৈছে হিন্দী।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰাৰ কথা। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে

দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত বিভিন্ন ভাৰতীয় ভাষাৰ সৈতে হিন্দীৰ সমন্বয়ৰ উপৰি চৰকাৰী ভাষা, জনসাধাৰণৰ ভাষা আৰু সংযোগী ভাষা হিচাপে হিন্দীৰ প্ৰসাৰ সন্দৰ্ভত বিভিন্ন খণ্ডৰ বিশেষজ্ঞ, সাহিত্যিক, ভাষাবিদ, শিক্ষাবিদ, সংসদৰ সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া তথা বিশিষ্ট ব্যক্তিসকলে ভাষণ দিব। আৰম্ভণি সত্ৰত শ্ৰীশ্বাহে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰিব। এই সত্ৰৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰগীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। এই সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হ'ব।

গৃহমন্ত্ৰীগৰাকীয়ে হিন্দী দিৱস উপলক্ষে এটা বাৰ্তা শ্বেয়াৰ কৰি কয়, যে হিন্দী হৈছে ৰাষ্ট্ৰীয় ঐক্য বৰ্তাই ৰখাৰ এনাজৰী। ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত হোৱাত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্ দৰ্শনত হিন্দী আৰু অন্যান্য ভাষাসমূহে প্ৰযুক্তিগত উন্নয়নৰ সোণালী যুগত প্ৰৱেশ কৰা বুলি তেওঁ উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে হিন্দী দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে হিন্দী কেৱল এটা ভাষাই নহয়, হিন্দী হৈছে দেশৰ সংস্কৃতি, সভ্যতা আৰু জীৱন প্ৰমূল্যৰ প্ৰতিফলন।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো হিন্দী দিৱস উপলক্ষে সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে সাহিত্য তথা সাংবাদিকতাৰ পৰা চলচ্চিত্ৰ, দূৰদৰ্শন, শিক্ষা তথা ডিজিটেল পৃথিৱীখনলৈ হিন্দী লাখ লাখ লোকৰ প্ৰকাশৰ পৰিভাষা হৈ উঠিছে।

০০০০০০

কাছাৰ আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী দুটা পৃথক অভিযানত প্ৰায় ১৪ কোটি টকাৰ হেৰ'ইন আৰু য়াবা টেবলেট জব্দ কৰে। আৰক্ষীয়ে কালি শিলচৰ থানাৰ অন্তৰ্গত ৰামনগৰ বাইপাছ এলেকাত অভিযান চলাই এখন ট্ৰাকৰ পৰা ১৫০টা চাবোনৰ বাকচত কঢ়িয়াই অনা ২ কিলোগ্ৰামৰো অধিৰ হেৰ'ইন জব্দ কৰে। ঘটনা সংক্ৰান্তত লাইলাপুৰৰ আব্দুল ৰহিম লস্কৰ নামৰ এজন লোকক আটক কৰা হৈছে। মিজোৰামৰ ছামফাই জিলাৰ পৰা মাদক দ্ৰব্যখিনি সৰবৰাহ কৰা হৈছিল বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে কালাইন থানাৰ অন্তৰ্গত গুমৰা বজাৰ এলেকাত চলোৱা আন এটা অভিযানত জয়ৰুল ইছলাম নামৰ এজন লোকৰ বাসগৃহত অভিযান চলাই ১০ হাজাৰ য়াবা টেবলেট জব্দ কৰে।

ইপিনে মাদক দ্ৰব্যৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সৰবৰাহ আৰু অবাধ প্ৰচলন প্ৰতিৰোধৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আছুৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক জীৱন বৰুৱাৰ নেতৃত্বত আৰু স্থানীয় লোকৰ সহযোগত বৌ বজাৰ এলেকাত আয়োজিত সজাগতা সভাত মাদক দ্ৰব্যৰ সৰবৰাহ আৰু প্ৰচলন ৰোধৰ বাবে জনমত গঢ়ি তোলাৰ আহ্বান জনোৱা হয়। তদুপৰি নিচাজাতীয় সামগ্ৰী বিৰোধী এখন সমিতিও গঠন কৰা হয়।

০০০০০০

ডুবাইত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৭২ ৰানত পৰাস্ত কৰি অষ্টমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ দখলৰ অভিলেখ গঢ়ে। ইয়াকে ধৰি এদিনীয়া আন্তঃৰাষ্ট্ৰীয় আৰু টি-২০ ফৰ্মেটৰ এছিয়া কাপ ফাইনেলত ভাৰতে ষষ্ঠবাৰৰ বাবে শ্ৰীলংকাক

পৰাস্ত কৰিছে। ভাৰতে কালি প্ৰথমে বেট ধৰি ৫ উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শেফালী বাৰ্মাই ৬৮ আৰু স্মৃতি মন্ধানাই ৫৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণীয়ে ৪টা উইকেট দখল কৰাৰ লগতে দিপ্তী শৰ্মাই ৩টা উইকেট লাভ কৰে। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

oooooo

**সমাপ্ত**